**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-12-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
----------------------

১। নতুন বিধানসভা সমষ্টি ভিত্তিত আজি আনুষ্ঠানিকভাৱে নতুন ৰেচন কাৰ্ড বিতৰণ।

২। দুখন টোল গে'টৰ মাজত কমেও ১০০ কিলোমিটাৰ ব্যৱধান ৰাখিব লাগে বুলি লোকসভাত অসমৰ সাংসদৰ দাবী।

৩। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ আজি ব্ৰহ্মপুত্ৰৰ দুই নম্বৰ ৰাষ্ট্ৰীয় জলপথৰ বাবে সামগ্ৰী পৰিবহণ প্ৰসাৰ আঁচনি আৰু অনুসূচীত সামগ্ৰী পৰিবাহী জাহাজ সেৱা মুকলি।

৪। আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰিত অধিক স্থানীয় বাতৰি প্ৰচাৰ কৰা উচিত বুলি দৃষ্টিপাত অনুষ্ঠানত বিভিন্ন শ্ৰোতাৰ মত প্ৰকাশ। **আৰু**

৫। অষ্ট্ৰেলিয়াৰ ভাৰতৰ বিৰুদ্ধে ব্ৰিছবেনত টেষ্টৰ প্ৰথম ইনিংছত তিনিটা উইকেট হেৰুৱাই ১১৬ ৰাণ সংগ্ৰহ।

oooooo

ৰাজ্য চৰকাৰৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ অধীনত আজি নতুন বিধানসভা সমষ্টি ভিত্তিত আনুষ্ঠানিকভাৱে নতুন ৰেচন কাৰ্ড বিতৰণৰ প্ৰথম পৰ্যায়ৰ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কামৰূপ মহানগৰৰ জালুকবাৰী, গুৱাহাটী মধ্য বিধানসভা সমষ্টিৰ বাবে সৰুসজাই ষ্টেডিয়ামত আয়োজিত অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশ ল'ব। নতুন ৰেচন কাৰ্ড বিতৰণৰ প্ৰথম পৰ্যায়ত কামৰূপ মহানগৰৰ লগতে বজালী, বিশ্বনাথ, চৰাইদেউ, ডিব্ৰুগড়, গোলাঘাট, হাইলাকান্দি, হোজাই, যোৰহাট, লখিমপুৰ, মাজুলী, নলবাৰী, শিৱসাগৰ, শোণিতপুৰ, দক্ষিণ শালমাৰা, শ্ৰীভূমি, তিনিচুকীয়া, পশ্চিম কাৰ্বি আংলং জিলাক সামৰি লোৱা হ'ব।

খাদ্য সুৰক্ষা নিশ্চিতকৰণৰ লক্ষ্যৰে প্ৰদান কৰা এই নতুন ৰেচন কাৰ্ডসমূহৰ জৰিয়তে জনসাধাৰণে বিভিন্ন ধৰণৰ সুবিধা লাভ কৰিব। সেই অনুসৰি অন্ত্যোদয়া অন্ন যোজনাৰ ৰেচন কাৰ্ডপ্ৰাপ্ত পৰিয়ালে প্ৰতি মাহে ৩৫ কিলোগ্ৰামকৈ আৰু প্ৰতিটো অগ্ৰাধিকাৰপ্ৰাপ্ত ৰেচন কাৰ্ড থকা পৰিয়ালৰ প্ৰতিগৰাকী সদস্যই মাহিলি ৫ কিলোগ্ৰামকৈ বিনামূলীয়া চাউল লাভ কৰিব। একেদৰে বৰ্তমান ৰন্ধন গেছৰ সংযোগ নথকা ৰেচন কাৰ্ড প্ৰাপ্ত পৰিয়ালে প্ৰধানমন্ত্ৰী উজ্বলা যোজনাৰ অধীনত বিনামূলীয়া ৰন্ধন গেছৰ সংযোগ লাভ কৰিব। তদুপৰি এনে সুবিধাপ্ৰাপ্ত লোকসকলে প্ৰধানমন্ত্ৰী জনআৰোগ্য যোজনা আৰু আয়ুষ্মান অসম মুখ্যমন্ত্ৰী জন আৰোগ্য যোজনাৰ অধীনত বছৰি ৫ লাখ টকা পৰ্যন্ত বিনামূলীয়া চিকিৎসা সেৱাৰ সুবিধা লাভ কৰিব।

oooooo

তিনিচুকীয়া জিলাৰ আটাইকেইটা বিধানসভা সমষ্টিৰ ৮৩ হাজাৰ ৯৫২ জন হিতাধিকাৰীৰ মাজত আজি নতুন ৰেচন কাৰ্ড বিতৰণ কৰা হ'ব। এই উপলক্ষে মাকুম বিধানসভা সমষ্টিৰ বাবে তিনিচুকীয়া নগৰৰ বৰগুৰি আই টি আই খেলপথাৰত আয়োজিত এটা অনুষ্ঠানত হিতাধিকাৰীসকলক এই ৰেচন কাৰ্ড বিতৰণ কৰা হ'ব।

অনুষ্ঠানত অসম চৰকাৰৰ গৃহ নিৰ্মাণ নিগমৰ অধ্যক্ষ পুলক গোহাঁই মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। উল্লেখযোগ্য যে এই ৰেচন কাৰ্ড প্ৰদানৰ জৰিয়তে সমষ্টিটোত নতুনকৈ ৮ হাজাৰ ৩১টা পৰিয়ালৰ ১৩ হাজাৰ ৭৪৮ জন হিতাধিকাৰী উপকৃত হ'ব। আনহাতে ডুমডুমা বিধানসভা সমষ্টিৰ ৰূপাই চাইদিঙৰ সৌৰভ কলা কেন্দ্ৰত আয়োজিত ৰেচন কাৰ্ড বিতৰণৰ আন এটা অনুষ্ঠানত মুখ্য অতিথি হিচাপে শ্ৰম আৰু চাহ শ্ৰমিক কল্যাণ মন্ত্ৰী ৰূপেশ গোৱালাই অংশগ্ৰহণ কৰিব। সমষ্টিটোৰ নতুন হিতাধিকাৰী পৰিয়ালৰ সংখ্যা হৈছে ৫ হাজাৰ ৬৬০ আৰু জনসংখ্যা হৈছে ১৪ হাজাৰ ৮৮৩। ডিগবৈ বিধানসমষ্টিত ৫ হাজাৰ ৬০৬ খন নতুন ৰেচন কাৰ্ড আজি বিতৰণ কৰা হ'ব।

০০০০০০

অসম চৰকাৰৰ বিত্তীয় বিভাগৰ উদ্যোগত অৰুণোদয় পযেক আঁচনিৰ অধীনত আজিৰে পৰা ২৮ ডিচেম্বৰলৈ নিৰপেক্ষ আৰু স্বচ্ছ প্ৰক্ৰিয়াৰে যোগ্য বিবেচিত পৰিয়ালসমূহক বিত্তীয় সাহায্য প্ৰদান কৰা হ'ব। বিত্তীয় সাহায্যৰ বাবে যোগ্য হিতাধিকাৰী বাছনিৰ উদ্দেশ্যে এই দুসপ্তাহজোৰা অৰুণোদয় পযেক আঁচনি গ্ৰহণ কৰা হৈছে। এই আঁচনিৰ হিতাধিকাৰী হ'বলৈ আবেদনকাৰী অসমৰ স্থায়ী বাসিন্দা হোৱাৰ লগতে বৰ্তমান অসমতে বাস কৰিব লাগিব। আনহাতে আবেদনকাৰীৰ আধাৰ সংযুক্ত বৈধ ৰেচন কাৰ্ড থকাটো জৰুৰী। এই আঁচনি লাভ কৰিবলৈ বিধবা, ৪৫ বছৰ বয়সৰ উৰ্ধৰ অবিবাহিতা, বিবাহ বিচ্ছেদিত, অকলশৰীয়া মহিলা, তৃতীয় লিংগ, দিব্যাংগ ব্যক্তি, চৰকাৰী পঞ্জীয়নভুক্ত বৃদ্ধাশ্ৰমত থকা মহিলা তথা বৃদ্ধা, ৰুগীয়া মহিলা, আশ্ৰয়হীন পৰিয়ালৰ মহিলা, অন্ত্যোদয়া অন্ন যোজনাৰ মহিলা হিতাধিকাৰীসকলে আবেদন কৰিব পাৰিব।

০০০০০০

বিজেপিৰ সাংসদ দিলীপ শইকীয়াই টোল কৰ হ্ৰাস কৰিবলৈ আৰু দুখন টোল গে'টৰ মাজত কমেও ১০০ কিলোমিটাৰ ব্যৱধান ৰাখিবলৈ দাবী জনাইছে। দৰং-ওদালগুৰি সমষ্টিৰ সাংসদ  শইকীয়াই শুকুৰবাৰে লোকসভাত কয়, যে দেশৰ ৰাষ্ট্ৰীয় ঘাইপথত বৰ্তমান ৯৮৩ খন টোলগেট আছে। এই টোলগেটসমূহত বাহন চালকসকলে বুজন পৰিমাণৰ শুল্ক আদায় দিবলগীয়া হয় আৰু ইয়াৰ ফলত জনসাধাৰণৰ ওপৰত আৰ্থিক বোজা পৰে। কেন্দ্ৰীয় চৰকাৰৰ নীতি-নিৰ্দেশনা অনুসৰি দুখন টোলগেটৰ মাজত কমেও ৬০ কিলোমিটাৰ দূৰত্ব থাকিব লাগে যদিও গুৱাহাটী ৰাষ্ট্ৰীয় ঘাইপথত মাত্ৰ ৫০ কিলোমিটাৰৰ মাজত ২ খন টোলগেট আছে। কেন্দ্ৰীয় চৰকাৰে দেশৰ নাগৰিকৰ ওপৰত টোল মাচুলৰ হেচা হ্ৰাস কৰিব লাগে আৰু দুখন টোলগেটৰ মাজৰ দূৰত্ব কমেও ১০০ কিলোমিটাৰ কৰিবলৈ শীঘ্ৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগে বুলি সাংসদগৰাকীয়ে দাবী জনায়।

০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ অৰ্থনীতিয়ে শক্তিশালী, গতিশীল অৰ্থনীতিৰ দিশলৈ অগ্ৰসৰ হোৱা বুলি দাবী কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কালি সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰি কয়, যে ২০২৪-২৫ বৰ্ষত অসমৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন ৬ লাখ ৪৩ হাজাৰ কোটি টকা হোৱাৰ দিশে গতি কৰিছে। ২০১৩-১৪ বৰ্ষত এই পৰিমাণ এক লাখ ৭৭ হাজাৰ কোটি টকা আছিল বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে।

০০০০০০

ৰাজ্য চৰকাৰে ব্ৰহ্মপুত্ৰৰ জলপথেৰে ৰাজ্যৰ সাতটা ধৰ্মীয় স্থানক সংযোগ কৰাৰ পৰিকল্পনা কৰিছে। ৰাজ্য চৰকাৰ বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰালয়ৰ অনুমোদনৰ পাছত এই কাম আৰম্ভ কৰাৰ বাবে সাজু হৈছে। এই প্ৰকল্পৰ বাবদ ৬৪৫ কোটি ৫৬ লাখ টকা ব্যয় হ'ব বুলি অনুমান কৰা হৈছে। কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ

কৰিছে। এই প্ৰকল্পৰ অধীনত গুৱাহাটীৰ কামাখ্যা মন্দিৰ, উমানন্দ মন্দিৰ, চক্ৰেশ্বৰ মন্দিৰ, উত্তৰ গুৱাহাটীৰ অশ্বক্লান্ত মন্দিৰ, দৌল গোবিন্দ মন্দিৰ, কাজিৰঙাৰ পাণ্ডুনাথ মন্দিৰ আৰু মাজুলীৰ আউনীআটী সত্ৰক ব্ৰহ্মপুত্ৰ জলপথেৰে সংযোগ কৰা হ'ব। এই প্ৰকল্পৰ জৰিয়তে ৰাজ্যৰ পৰ্যটন ক্ষেত্ৰখনক অধিক উজ্জীৱিত কৰি তুলিবলৈ বিচৰা হৈছে বুলি মন্ত্ৰী গৰাকীয়ে প্ৰকাশ কৰিছে।

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে আজি কলকাতাত ব্ৰহ্মপুত্ৰৰ দুই নম্বৰ ৰাষ্ট্ৰীয় জলপথ আৰু গংগাৰ এক নম্বৰ ৰাষ্ট্ৰীয় জলপথৰ বাবে সামগ্ৰী পৰিবহন প্ৰসাৰ আঁচনি আৰু অনুসূচীত সামগ্ৰী পৰিবাহী জাহাজ সেৱা মুকলি কৰিব। এই পদক্ষেপে অভ্যন্তৰীণ জলপথসমূহ সুদৃঢ় কৰিব আৰু দেশৰ বিকাশত অৰিহণা যোগাব।

০০০০০০

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায় আটাইকেইখন কাকতে লোকসভাত সংবিধানক  লৈ হোৱা বিতৰ্কৰ বাতৰিক গুৰুত্ব সহকাৰে প্ৰথম পৃষ্ঠাত স্থান দিয়া পৰিলক্ষিত হৈছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চৰকাৰৰ বিগত ১০ বছৰৰ কাৰ্যকালত দেশত দ্ৰুতগতিত চহকী লোকৰ সংখ্যা বৃদ্ধি পাইছে। এই সন্দৰ্ভত  দৈনিক অসম কাকতে **ভয়ংকৰ আৰ্থিক অসমতাৰ গ্ৰাসত দেশ** শিৰোনামেৰে এটা বাতৰি প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে স্থান দিছে।

দিল্লী চলো অভিযানেৰে দেশৰ ৰাজধানী অভিমুখী প্ৰতিবাদী কৃষকক হাৰিয়ানা আৰক্ষী আৰু নিৰাপত্তাৰক্ষী বাহিনীয়ে বাধা দিয়াৰ বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে প্ৰতিবাদী কৃষকেৰে আৰক্ষীৰ সংঘৰ্ষ শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আমাৰ অসম কাকতে ভয়ংকৰ বান খৰাঙৰ আশংকা থকা দেশৰ ১১ খন জিলাৰ ৫ খনেই অসমৰ বুলি আই আই টি গুৱাহাটীসহ দেশৰ তিনিখ অগ্ৰণী উচ্চ শিক্ষা প্ৰতিষ্ঠানৰ সমীক্ষাত প্ৰকাশ পোৱাবুলি এটা বাতৰি প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

নিয়মীয়া বাৰ্তা কাকতে সংবিধান দিৱসৰ বিতৰ্কত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰীয়ে কংগ্ৰেছ গান্ধী পৰিয়ালক তীব্ৰ সমালোচনা কৰাৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে।

দৈনিক জনমভূমি কাকতে কাকতখনৰ বঙাইগাঁও সংস্কৰণ মুকলিৰ বাতৰিটো প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

দৈনিক অগ্ৰদূত কাকতে ৰাজ্যত সমষ্টি পুনৰ নিৰ্ধাৰণৰ ফলত চৰকাৰী আঁচনি-অনুদানক লৈ নতুন আৰু পুৰণি সমষ্টিৰ মাজত অথন্তৰ লাগিছে বুলি এটা বাতৰি প্ৰথম পৃষ্ঠাত বক্স বাতৰি হিচাপে প্ৰকাশ কৰিছে।

দি আছাম ট্ৰিবিউন কাকতে কোৰিয়াৰ সংসদত ৰাষ্ট্ৰপতি বিৰুদ্ধে মহাভিযোগ প্ৰস্তাৱ গৃহীত হোৱাৰ বাতৰিক Korea parliament votes to impeach President শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দ্যা ছেণ্টিনেল কাকতে বাঘজান তেলখাদত জুই লগাৰ ঘটনাৰ বলি হোৱা লোকসকলে অন্তৰ্বৰ্তীকালীন ক্ষতিপূৰণ বিচাৰি জনোৱা দাবী ৰাষ্ট্ৰীয় সেউজ ন্যায়াধীকৰণে প্ৰত্যাখ্যান কৰাৰ বাতৰিক NGT rejects claim Baghjan victims শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ কেইটামান বাতৰি।

**শেষ ঃ** এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

০০০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰিত অধিক স্থানীয় বাতৰি প্ৰচাৰ কৰা উচিত বুলি বিভিন্ন শ্ৰোতাই মত প্ৰকাশ কৰিছে। যোৱা নিশা প্ৰচাৰিত দৃষ্টিপাত অনুষ্ঠানত কেইবাগৰাকীও শ্ৰোতাই এই মত প্ৰকাশ কৰি কয়, যে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বাতৰি প্ৰচাৰৰ বাবে যিহেতু ৩ খন বাতৰি বুলেটিন আছে সেই হেতুকে আঞ্চলিক বাতৰি বুলেটিনসমূহত স্থানীয় বাতৰিয়ে প্ৰাধান্য পালেহে জনসাধাৰণ জড়িত বাতৰি প্ৰকাশিত হ'ব। কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰিত হোৱা উচ্চাৰণগত ভুল আঙুলিয়াই দিয়ে।

(বাইট)

অনুষ্ঠানত আকাশবাণীৰ কেইবাগৰাকীও অৱসৰপ্ৰাপ্ত বিষয়া, জ্যেষ্ঠ নাগৰিক আৰু নিয়মীয়া শ্ৰোতাই বাতৰিৰ মান উন্নত কৰাৰ বাবেও পৰামৰ্শ দিয়ে। তদুপৰি শ্ৰোতাসকলে টেলিফোনযোগে নিজৰ অভিমত আগবঢ়ায়।

০০০০০০

লোকসভাত কাইলৈ **এখন দেশ, এটা নিৰ্বাচন** সন্দৰ্ভত দুখন বিধেয়ক উত্থাপন কৰা হ'ব। কেন্দ্ৰীয় আইন মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে ১২৯ সংখ্যক সংবিধান সংশোধনী বিধেয়ক আৰু কেন্দ্ৰীয় শাসিত অঞ্চল আইন সংশোধনী বিধেয়ক নিম্ন সদনত উত্থাপন কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত যোৱা বৃহস্পতিবাৰে অনুষ্ঠিত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ বৈঠকত দেশত লোকসভা আৰু বিধানসভাৰ নিৰ্বাচন একেলগে অনুষ্ঠিত কৰাৰ বাবে সংবিধান সংশোধনী বিধেয়কৰ প্ৰস্তাৱত অনুমোদন দিয়ে।

ইতিমধ্যে প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দৰ অধ্যক্ষতাত গঠিত উচ্চ পৰ্যায়ৰ এখন সমিতিয়ে ৰাজনৈতিক দলৰ নেতা আৰু বিশেষজ্ঞসকলকে ধৰি অন্যান্য অংশীদাৰীসকলৰ সৈতে এই সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰি প্ৰতিবেদন দাখিল কৰে। **এখন দেশ এটা নিৰ্বাচন** ব্যৱস্থা দুটা পৰ্যায়ত ৰূপায়ণ কৰা হ'ব। প্ৰথম পৰ্যায়ত লোকসভা আৰু বিধানসভাৰ নিৰ্বাচন একেলগে অনুষ্ঠিত হ'ব আৰু পঞ্চায়ত তথা পৌৰসভাৰ দৰে স্থানীয় নিকায়সমূহৰ নিৰ্বাচন সাধাৰণ নিৰ্বাচনৰ ১০০ দিনৰ ভিতৰত অনুষ্ঠিত হ'ব।

০০০০০০

ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকৰণে জ্যেষ্ঠ নাগৰিকসকলৰ বাবে গ্ৰহণ কৰা আঁচনি সম্পৰ্কে সজাগতা সৃষ্টিৰ উদ্দেশ্যে আজি মঙলদৈ জিলা পুথিভৰাল প্ৰেক্ষাগৃহত এটা অনুষ্ঠানৰ আয়োজন কৰা হৈছে। দৰং জিলা আইন সেৱা প্ৰাধিকৰণ আৰু জিলা প্ৰশাসনৰ সহযোগত আয়োজন কৰা এই অনুষ্ঠানত নৱ দৃষ্টি নামৰ নেত্ৰদান প্ৰকল্প এটা শুভাৰম্ভ কৰা হ'ব। তদুপৰি অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকৰণৰ নতুন ইউটিউব চেনেল আৰু শীৰ্ষ গীত মুকলি কৰা হ'ব। আনহাতে এই অনুষ্ঠানতে জ্যেষ্ঠ নাগৰিকসকলৰ মাজত শ্ৰৱণ যন্ত্ৰ, আয়ুষ্মান ভাৰত স্বাস্থ্য কাৰ্ড আদিও বিতৰণ কৰা হ'ব।

০০০০০০

তিনিচুকীয়াত অলপতে সংঘটিত হোৱা এটা ধৰ্ষণৰ ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত দুজন অভিযুক্তক তিনিচুকীয়া আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। আটক কৰা অভিযুক্ত দুজনৰ নাম হৈছে। বাপী ক'ৰ আৰু জিণ্টু দাস। তিনিচুকীয়া সদৰ পকচ' আইনৰ অধীনত দুয়োজনকে গ্ৰেপ্তাৰ কৰিছে।

০০০০০০

অষ্ট্ৰেলিয়াই ভাৰতৰ বিৰুদ্ধে ব্ৰিছবেনত অনুষ্ঠিত ব'ৰ্ডাৰ গাভাস্কাক ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেলৰ আজি দ্বিতীয় দিনা এটাও উইকেট নেহেৰুৱাকৈ কালি সংগ্ৰহ কৰা ২৮ ৰানৰ পৰা প্ৰথম ইনিংছৰ খেল

আৰম্ভ কৰি আমালৈ বাতৰি অহাৰ পৰলৈকে ৩টা উইকেটৰ বিনিময়ত ১২৭ ৰান সংগ্ৰহ কৰি খেলি আছিল। বৰষুণৰ বাবে কালি ১৩ অভাৰ আৰু ২ টা বল খেলা অৱস্থাতে প্ৰথম দিনৰ খেল স্থগিত ৰাখিবলগীয়া হৈছিল।

ভাৰতে কালি টছত জিকি প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লয়। এইখন খেলৰ বাবে ৰবীচন্দ্ৰন অশ্বীন আৰু হৰ্ষিত ৰানাৰ ঠাইত ৰবীন্দ্ৰ জাদেজা আৰু আকাশ দ্বীপক ভাৰতীয় দলত অন্তৰ্ভুক্ত কৰা হৈছে।

০০০০০০

অসম ত্ৰিপুৰা সীমান্তৰ চুড়াইবাৰী গে'টত আজি এখন ট্ৰাকৰ খুন্দাত উজ্বল বৰা নামৰ এজন আৰক্ষী জোৱান নিহত হয়। গাড়ীচালকজনে পহৰা চকীত আৰক্ষীৰ সংকেত নামানি কৰ্তব্যৰত আৰক্ষী জোৱান উজ্বল বৰাই খুন্দিয়াই থৈ যায়। আৰক্ষী জোৱানজনৰ ঘটনাস্থলিত থিতাতে নিহত। নিহত আৰক্ষী জোৱানজন যোৰহাট জিলাৰ বাসিন্দা বুলি জানিব পৰা গৈছে।

০০০০০০

বতৰৰ বতৰা– বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই দিয়া আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলৰ বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থাকিব। এই সময়ছোৱাত ৰাজ্যৰ ঠাই বিশেষে পুৱা আৰু নিশাৰ ভাগত ডাঠ কুঁৱলী পৰাৰো সম্ভাৱনা আছে। কালি গুৱাহাটীৰ সৰ্বোচ্চ তাপমাত্ৰা আছিল ২৬ দশমিক ৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা আছিল ১২ দশমিক ৬ ডিগ্ৰী ছেলছিয়াছ। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৫ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই জানিবলৈ দিছে। উত্তৰ-পূৰ্বাঞ্চলৰ কেইবাখনো ৰাজ্যৰ বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে ডাঠ কুঁৱলী পৰাৰো সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত